# অসমৰ এজন কৃতী সন্তানলৈ আজি সাহিত্য সভাৰ সম্বৰ্দ্ধনা

শ্ৰীদেবানন্দ ভৰালীৰ জন্মস্থান শিৱসাগৰ। দেউতাকৰ মৃত্যুৰ পিচত ভড়ালীয়ে ককাকৰ তত্বাবধানত ডাঙৰ হয় আৰু উপযুক্ত ভাবে ইংৰাজী ভাষা জ্ঞান আয়ত্ব কৰে। ককাক স্বৰ্গীয় পৰমানন্দ ভৰালী আছিল শিৱসাগৰৰ পোন প্ৰথম ইংৰাজী শিক্ষক। শ্ৰীভৰালীয়ে যথ ক্ৰমে ১৯০০ চনত এণ্ট্ৰেন্স, ১৯০২ চনত আই-এ আৰু ১৯০৪ চনত বি-এ ডিগ্ৰী লাভ কৰে। ১৯২৬ চনত তেওঁ ছাব ডেপুটী কলেক্টৰ পদৰ পৰা অৱসৰ লয়।

ছাত্ৰ অৱস্থাৰ পৰাই গভীৰ অধ্যয়ণ আৰু মৌলিক ৰচনা সৃষ্টিৰ বাবে তেওঁ বিশেষ ভাবে সমাদৃত হয়। স্বৰ্গীয় পদ্মনাথ গোহাঁই বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদি প্ৰবীণ সাহিত্যিক কৰ্ণধাৰসকলৰ পৰবৰ্ত্তী দলত তেওঁলোক সতীৰ্থ আছিল। 'বাঁহী', 'উষা' আৰু 'আলোচনী' কাকতত তেওঁ প্ৰায়ে কবিতা আলোচনা আদি লিখিছিল। 'আলোচনী'ত তেওঁ 'মিৰি' ছদ্মনামত কবিতা লিখিবলৈ লয়। শ্ৰীশঙ্কৰদেৱ আৰু "বিহু" সম্পৰ্কীয় নতুন তথ্যমূলক প্ৰৱন্ধৰ কথা এই সম্পৰ্কত উল্লেখযোগ্য। চিন্তাশীল আৰু

মূলক প্ৰৱন্ধৰ কথা এই সম্পৰ্কত উল্লেখযোগ্য। চিন্তাশীল আৰু

গৱেষণামুখী শ্ৰীভড়ালীয়ে ১৯০৮ চনতে ইংৰাজী ভাষাত এখন অসমীয়া ব্যাকৰণ লিখি বাহিৰৰ লোকসকলৰ মাজত অসমীয়া ভাষা সম্পৰ্কে প্ৰচাৰ কৰিবলৈ যত্নপৰ হয়। ১৯১৬ চনত তেওঁ মহাকবি শেক্সপীয়েৰৰ নাটক 'মেকবেথ'ৰ ভাবানুবাদ 'ভীমদৰ্প' নাটক অমিত্ৰাক্ষৰ ছন্দত লিখি প্ৰকাশ কৰে। শ্ৰীভড়ালীয়ে ১৯৪০ চনত নতুন দাৰ্শনিক ভাবৰ ছন্দ গ্ৰন্থ 'আদিপুৰাণ' প্ৰকাশ কৰে। ১৯৪৫ চনত তেওঁ শ্ৰীশঙ্কৰদেৱ নামৰ নাটকো লিখে আৰু সাময়িক আলোচনী আদিত মধ্যামধ্যিকৈ লিখিবলৈ লয়। তেওঁ সামাজিক আদালত,

খেমেলীয়া 'বিহু নাটিকা' আৰু ইংৰাজীত বৰ্ণমালা সন্মিলন আদি কেবাখনিও ব্যঙ্গ ৰচনা লিখে। শ্ৰীভড়ালীক হয়তো এজন নাট্যকাৰ নাইবা কবি হিচাপে সহজে পৰিচয় দিয়া টান, কিন্তু তেওঁৰ মৌলিক প্ৰতিভাৰ সুন্দৰ বিকাশ ঘটে— অসমীয়া ভাষাতত্বৰ সুচিন্তিত গৱেষণা ক্ষেত্ৰত আৰু এই দিশত ভড়ালীকে প্ৰকৃততে বাটকটীয়া বুলি ধৰিব লাগিব।

## ভাষাতত্ত্ববিদ

শ্ৰীদেবানন্দ ভড়ালীক অসমীয়া ভাষাতত্বৰ বাটকটীয়া ৰূপে পৰিচয় দিওঁতে— মনলৈ আহে তেওঁৰ বহুমূলীয়া অৱদান "অসমীয়া ভাষাৰ মৌলিক বিচাৰ'ৰ কথা। এই গ্ৰন্থৰ আৰম্ভণিতে তেওঁ লিখিছে, "অসমীয়া ভাষাৰ মূল অন্বেষণ কৰাই এই কিতাপৰ উদ্দেশ্য।" অসমীয়া ভাষাৰ উদ্ভৱ, বিকাশ— ভাৰতীয় প্ৰাকৃত অনাৰ্য্য অৱদান আদি সকলো দিশ বিশ্লেষণ কৰি তেওঁ অসমীয়া ভাষাৰ সুক্ষ্ম বিচাৰ এই গ্ৰন্থখনত সন্নিবিষ্ট কৰিলে। আচলতে এই মৌলিক বিচাৰ গ্ৰন্থখনেই শ্ৰীভড়ালীৰ জীৱন জোৰা সাধনাৰ কীৰ্ত্তিস্তম্ভ। সাহিত্যৰথী বেজবৰুৱাই এই বাবেই এইখনক যুগমীয়া গ্ৰন্থ আখ্যা দিছিল। ১৯১৩ চনত এই মৌলিক বিচাৰ গ্ৰন্থৰ প্ৰথম সংস্কৰণ প্ৰকাশিত হয় আৰু ১৯২৩ত ইয়াৰ দ্বিতীয় সংস্কৰণ

এই মৌলিক বিচাৰ গ্ৰন্থৰ প্ৰথম সংস্কৰণ প্ৰকাশিত হয় আৰু ১৯২৩ত ইয়াৰ দ্বিতীয় সংস্কৰণ

ওলায়।

শ্ৰীভড়ালীয়ে অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদক থকা কালত ১৯৩৩ চনত প্ৰকাশিত চন্দ্ৰকান্ত অভিধানৰ সুবৃহৎ পাতনি লিখে। এই পাতনি খণ্ডত অসমীয়া ভাষাৰ শব্দ বিন্যাস, ৰূপতত্ব, ধ্বনিতত্ব আৰু উচ্চাৰণৰ ওপৰত সুচিন্তিত আলোচনা দাঙি ধৰে। ভাষাতত্বৰ গৱেষণাত নিবিড় ভাবে জড়িত থাকি শ্ৰীভড়ালীয়ে ১৯৬০ চনত ইংৰাজী ভাষাত Phonology of Assamese Language" নামৰ এখনি মৌলিক গ্ৰন্থ প্ৰকাশ কৰে।

## অনাড়ম্বৰ জীৱন যাত্ৰা

শ্ৰীভড়ালীৰ এতিয়া চাৰিকুৰি ছুবছৰ হৈছে। অনাড়ম্বৰ জীৱন যাত্ৰা আৰু উন্নত মৌলিক চিন্তাই যেন তেওঁৰ জীৱনৰ একমাত্ৰ আদৰ্শ। তেওঁক দেখিলে প্ৰথম দৰ্শনতে চোকা বুদ্ধিৰ, কৰ্ম্মতৎপৰ, ক্ষিপ্ৰ গতিৰ মানুহজনৰ কথা মনলৈ আহে। বয়সৰ তুলনাত তেওঁৰ মনৰ গতি তীব্ৰ। অনুমান হয় তেওঁ যেন কাহানিও এলাহৰ বশবৰ্ত্তী হৈ পোৱা নাই। পিছন উৰণ কথা বতৰা সকলোতে পৰিপাটি অথচ অনাড়ম্বৰ এই মানুহজনৰ অসাধাৰণ প্ৰতিভাৰ কথা তেওঁৰ লগত হোৱা প্ৰথম আলোচনাতে সহজে অনুভূত হয়।

সকলোৰে শ্ৰদ্ধা ভাজন শ্ৰীদেবানন্দ ভড়ালীক অসম সাহিত্য সভাই আজি তেওঁৰ বাসস্থল যোৰহাটত সাদৰ অভিনন্দন জনাব। তেওঁৰ পাণ্ডিত্য, চিন্তাশীলতা আৰু একনিষ্ঠ সাহিত্য সাধনাই ভাষা জননীৰ মুখ উজ্জ্বল ক... আৰু সেই বাবেই তেওঁ অসম... আইৰ এগৰাকী কৃতী সন্তান ৰূপে দেশবাসী মাত্ৰেই সকলোৰে শ্ৰদ্ধাভাজন হৈছে।

বিমানকোঠত আদৰণি জনায়।

গুৱাহাটীৰ চাৰ্কিট হাউচ পৰ্য্যন্ত এই দীঘল পথছোৱাৰ নানান ঠাইত জনতাৰ সম্বৰ্দ্ধনাৰ উত্তৰত শ্ৰীশাস্ত্ৰীয়ে মুকলি জীপৰ ওপৰৰ পৰা নমস্কাৰ জনায়।

স্কুলৰ লৰা ছোৱালীয়ে হাতত কিতাপ কাগজৰ দমেৰে আৰু ওচৰৰ গাওঁভুই আৰু অন্যান্য অঞ্চলৰ নানান লোকে শ্ৰীশাস্ত্ৰীৰ প্ৰতি শুক্ৰবাৰে জনোৱা আদৰণি আছিল এক অভুতপুৰ্ব্ব আৰু স্মৰণীয় দৃশ্য।

...াইজৰ কাৰণে নিশ্চয় গৌৰৱৰ
...্যমন্ত্ৰীয়ে সমবায়ৰ প্ৰতি থকা
...চেনিকল আৰু অন্যান্য সমবায়
...িৰব। তাৰোপৰি, পুঁজিপতি
...চৰকাৰ মুক্ত হব পাৰিব কেৱল
... নিৰ্ব্বাচনৰ পটভূমিত চৰকাৰৰ
...ী শক্তিক উপেক্ষা কৰি চলিবৰ
...াৰাটোকেই আমি বাঞ্ছা কৰিম।